# মালদিভ সম্বন্ধিয় প্ৰেছ বিজ্ঞপ্তী

অক্তোবৰ ১৯,২০১৩

আজি অক্তোবৰ ১৯ তাৰিখে পূৰ্ব্ব নিৰ্দ্ধাৰিত সময় অনুযায়ি পুনৰায় অনুষ্ঠিত হবলগিয়া মালদিভৰ প্ৰথম লানি ৰাষ্ট্ৰপতি নিৰ্বাচন সময় অনুসৰি অনুষ্ঠিত নোহোৱাত আৰু সাংবিধানিক প্ৰক্ৰিয়া অনুসৰি নিৰ্বাচনী আয়োগে নিৰ্বাচন অনুষ্ঠিত কৰিবৰ বাবে অনুমতি নিদিয়াত ভৰতে গভীৰ অসন্তোষ্টি প্ৰকাশ কৰিছে ।

ভাৰত আৰু আৰ্ন্তৰাষ্ট্ৰীয় সম্প্ৰদায়ে মালদিভৰ পৰিস্থিতি সৰ্ম্পকে অতি গুৰুত্ব সহকাৰে নিৰীক্ষন কৰি আহিছে তথা দেশ খনত গনন্ত্ৰাতিক প্ৰক্ৰিয়াত বাধা প্ৰদান কৰাৰ বাবে গভীৰ ভাৱে চিন্তা ব্যক্ত কৰিছে ।মালদিভৰ জনসাধাৰনে তেওঁলাকৰ ভবিষ্যত সম্বন্ধে নিজে নিৰ্ণয় কৰিব ,আৰু যোৱা ৭ চেপ্তেম্বৰ ২০১৩ তাৰিখে অনুষ্ঠিত প্ৰথম লানি ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কালত এগৰাকী নতুন ৰাষ্ট্ৰপতি নিৰ্বাচন কৰাৰ তেওঁলোকৰ প্ৰৱল ইচ্ছা সম্বন্ধে ৮৮% ভোট দানৰ দ্বাৰা মালদিভৰ জনসাধাৰনে তেওঁলোকৰ ইচ্ছা সম্বন্ধ স্পষ্ট কৰি দিছিল আৰু সেইদিনা অনুষ্ঠিত হৈ যোৱা নিৰ্বাচন যে মুক্ত আৰু নিকা আছিল সেই বিষয়ে আৰ্ন্তৰাষ্ট্ৰীয় আৰু দেশীয় বৃহৎ নিৰ্বাচনী নিৰীক্ষক সকলে সম্পূৰ্ণ ভাৱে বিবেচনা কৰিছিল ।

মালদিভৰ জনসাধাৰনে ইতিমধ্যে তেওঁলোকৰ প্ৰসংশনীয় ভাৱে ধৈৰ্য্য আৰু সংযত হৈ থকাৰ ক্ষমতাক স্পষ্ট কৰিছে । তেওঁলাকৰ ইচ্ছা আৰু আশা অকাংশাৰ প্ৰতি নজৰ ৰাখি অতি সোনকালে এক নিদিষ্টি সময় অনুসৰি

নিৰ্বাচনী প্ৰক্ৰিয়াক পুনৰ স্থাপিত কৰিব লাগে যাতে এগৰাকী নতুন ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈ সংবিধান অনুসৰি ১১ নৱেম্বৰ ২০১৩ তাৰিখে ৰাষ্ট্ৰপতি পদৰ বাবে শপত গ্ৰহন কৰিব পাৰে ।

ভাৰতে মালদিভৰ চৰকাৰক আৰু এই সম্বন্ধিয় সকলো দলক মালদিভৰ জনতাৰ ইচ্ছা পুৰণৰ প্ৰতি থকা তেওঁলোকৰ দায়িত্বক নিৰ্বাচনী প্ৰক্ৰিয়াত এক গঠনমুলক  ভূমিকা পালনৰে আৰু অধিক পলম নোহোৱাকৈ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্বাচনী আয়োগৰ প্ৰতি সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায় । ভাৰতে সকলো দলৰ প্ৰতি হিংসাত্মক কাৰ্য্যকলাপ ত্যাগ কৰি পৰিস্থিতি শান্ত ৰাখিবলৈও আহ্বান জনায় ।

নতুন দিল্লী

অক্তোৱৰ ১৯,২০১৩